**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 28-10-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত আয়োজিত অষ্টম আন্তঃৰাষ্ট্ৰীয় সৌৰ মিত্ৰজোঁটৰ সভাত ভাষণ দিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ মুম্বাইত সামুদ্ৰিক নেতাসকলৰ সন্মিলনত অংশ ল'ব।

৩। **মন্থা** ঘূৰ্ণীবতাহৰ ফলত ক্ষতিগ্ৰস্ত অঞ্চলসমূহত প্ৰয়োজনীয় সহায় আৰু সাহায্য আগবঢ়াবলৈ কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ সভাপতি জে পি নাড্ডাই দলীয় গোটসমূহক নিৰ্দেশ দিছে।

৪। উত্তৰ-পূব উন্নয়ন মন্ত্ৰী জ্যোতিৰাদিত্য সিন্দিয়াই আজি উত্তৰ-পূব কৃষি উদ্যান উন্নয়নৰ উচ্চ পৰ্যায়ৰ কৰ্মবাহিনীৰ দ্বিতীয়খন বৈঠকত অংশগ্ৰহণ কৰিব। ***আৰু***

৫। দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনী তালিকাৰ বিশেষ বিস্তৃত পুনৰীক্ষণ প্ৰক্ৰিয়া অনুষ্ঠিত হ'ব আৰু অহা বছৰৰ ৭ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ পাব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত আয়োজিত অষ্টম আন্তঃৰাষ্ট্ৰীয় সৌৰ মিত্ৰজোঁটৰ সভাত মূল ভাষণ প্ৰদান কৰিব। নতুন আৰু নৱীকৰণযোগ্য শক্তিমন্ত্ৰী প্ৰহ্লাদ যোশীয়ে এই সভাৰ উদ্বোধনী সত্ৰত ভাষণ দিব। চাৰিদিনীয়াকৈ আয়োজিত এই সভাত বিশ্বৰ ১২৪ খন ৰাষ্ট্ৰৰ ৪০ গৰাকীতকৈও অধিক মন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব। এই কাৰ্যসূচীয়ে উজ্বল আৰু বহনক্ষম ভৱিষ্যতৰ বাবে সৌৰশক্তি ব্যৱহাৰৰ প্ৰয়াস তথা সহযোগিতা অধিক শক্তিশালী কৰা সন্দৰ্ভত বিশ্ব সম্প্ৰদায়ক আলোচনাৰ বাবে এখন মঞ্চ প্ৰদান কৰিব। সদস্য ৰাষ্ট্ৰসমূহে **সকলোৰে বাবে সুলভ সৌৰশক্তি** দৃষ্টিভংগীৰ ক্ষেত্ৰত অগ্ৰগতিৰ পৰ্যালোচনা কৰাৰ লগতে ইয়াৰ প্ৰত্যাহ্বানসমূহৰ বিষয়ে আলোচনা কৰিব।

উল্লেখযোগ্য যে ভাৰতে নিৰ্ধাৰিত সময়ৰ ৫ বছৰ পূৰ্বেই অ-জীৱাশ্ম উৎসৰ পৰা ইয়াৰ মুঠ বিদ্যুৎ উৎপাদন ক্ষমতাৰ ৫০ শতাংশ লাভ কৰিবলৈ সমৰ্থ হৈছে। ভাৰত হৈছে বিশ্বৰ ভিতৰত তৃতীয় সৰ্ববৃহৎ সৌৰশক্তি উৎপাদনকাৰী দেশ আৰু নৱীকৰণযোগ্য শক্তি বিকাশৰ ক্ষেত্ৰত দ্বিতীয় সৰ্ববৃহৎ বজাৰ। প্ৰধানমন্ত্ৰী সূৰ্যঘৰ যোজনাৰ অধীনত ২০ লাখৰো অধিক পৰিয়ালে ইতিমধ্যেই তেওঁলোকৰ ঘৰৰ ছাদত সৌৰ পেনেল স্থাপন কৰি ইয়াৰ সুফল লাভ কৰিছে। আন্তঃৰাষ্ট্ৰীয় সৌৰ মিত্ৰজোঁট হৈছে ১২৪ খন সদস্য ৰাষ্ট্ৰৰে গঠিত এটা আন্তঃৰাষ্ট্ৰীয় সংস্থা। এই সংস্থাটোৱে কৃষি, স্বাস্থ্য, পৰিবহণ আৰু শক্তিৰ উৎপাদন খণ্ডত সৌৰশক্তি ব্যৱহাৰৰ বিভিন্ন দিশ সন্দৰ্ভত কাম কৰি আছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ মুম্বাইত সামুদ্ৰিক নেতাসকলৰ সন্মিলনত ভাষণ দিব। এই উপলক্ষে শ্ৰীমোদীয়ে ভাৰতীয় সামুদ্ৰিক সপ্তাহ ২০২৫ত বিশ্ব সামুদ্ৰিক মুখ্য কাৰ্যবাহী বিষয়া মঞ্চৰ অধ্যক্ষতা কৰিব।

শ্ৰীমোদীৰ অংশগ্ৰহণে সামুদ্ৰিক অমৃতকাল দৃষ্টিভংগী ২০৪৭ৰ সৈতে সংগতি ৰাখি উচ্চাকাংশী, ভৱিষ্যতমুখী সামুদ্ৰিক পৰিৱৰ্তনৰ প্ৰতি তেওঁৰ প্ৰতিশ্ৰুতিবদ্ধতাকেই প্ৰতিফলিত কৰে। এই কাৰ্যসূচীয়ে প্ৰধানমন্ত্ৰীৰ দৃষ্টিভংগীক কাৰ্যলৈ পৰিণত কৰাৰ বাবে বিশ্বৰ আগশাৰীৰ দেশসমূহৰ অংশীদাৰসকলক একত্ৰিত কৰাৰ এখন মঞ্চ প্ৰদান কৰিব। ৮৫ খনৰো অধিক ৰাষ্ট্ৰৰ এক লাখৰো অধিক প্ৰতিনিধি আৰু ৩৫০ গৰাকীৰো অধিক আন্তঃৰাষ্ট্ৰীয় বক্তাই এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ যুৱক-যুৱতীসকলক বিকশিত ভাৰত কুইজ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। সামাজিক মাধ্যমৰ এটা প'ষ্টত শ্ৰীমোদীয়ে কয়, যে ৰাষ্ট্ৰ গঠনৰ দিশত অৰিহণা আগবঢ়োৱাৰ ক্ষেত্ৰত দ্বিতীয় **বিকশিত ভাৰত যুৱ নেতাসকলৰ আলোচনা** এটা উত্তম সুযোগ। তেওঁ কয়, যে যুৱক-যুৱতীসকলৰ ধাৰণা আৰু অন্তৰ্দৃষ্টি, বিকশিত ভাৰত গঠনৰ পথ প্ৰশস্ত কৰিব পাৰে। জনসাধাৰণে অহা ৩১ অক্টোবৰ পৰ্যন্ত এই প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে নাম পঞ্জীয়ন কৰিব পাৰিব। অহা ১০ৰ পৰা ১২ জানুৱাৰীলৈ বিকশিত ভাৰত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০০০

মন্থা ঘূৰ্ণীবতাহৰ ফলত ক্ষতিগ্ৰস্ত অঞ্চলসমূহত প্ৰয়োজনীয় সহায় আৰু সাহায্য আগবঢ়াবলৈ কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ সভাপতি জে পি নাড্ডাই দলীয় গোটসমূহক নিৰ্দেশ দিছে। ক্ষতিগ্ৰস্ত অঞ্চলসমূহত স্থানীয় প্ৰশাসনৰ সৈতে সহযোগিতাৰে কাম কৰি সাহায্য-সামগ্ৰী আৰু স্বাস্থ্যসেৱা প্ৰদানৰ বাবে দলীয় কৰ্মকৰ্তাসকলক বিশেষ ভূমিকা গ্ৰহণ কৰিবলৈ শ্ৰীনাড্ডাই আহ্বান জনাইছে। তেওঁ লগতে ঘূৰ্ণীবতাহ প্ৰভাৱিত অঞ্চলসমূহৰ জনসাধাৰণক অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান ধৰাৰ লগতে তেওঁলোকৰ সুৰক্ষা আৰু উদ্ধাৰ অভিযান অব্যাহত ৰাখিবলৈ প্ৰতিটো বুথ পৰ্যায়ৰ গোটক নিৰ্দেশ দিছে।

০০০০০

উত্তৰ-পূব উন্নয়ন মন্ত্ৰী জ্যোতিৰাদিত্য সিন্দিয়াই আজি উত্তৰ-পূব কৃষি উদ্যান উন্নয়নৰ উচ্চ পৰ্যায়ৰ কৰ্মবাহিনীৰ দ্বিতীয়খন বৈঠকত ভাৰ্চুৱেল মাধ্যমেৰে অংশগ্ৰহণ কৰিব। সামাজিক মাধ্যমত প্ৰকাশ কৰা এটা বাৰ্তাৰ জৰিয়তে শ্ৰীসিন্দিয়াই কয়, যে এই বৈঠকত উত্তৰ-পূবৰ কৃষি উদ্যান শস্যৰ পৰিৱেশতন্ত্ৰ শক্তিশালী আৰু কাৰ্যকৰী কৰা সন্দৰ্ভত আলোচনা কৰা হ'ব। বৈঠকত কৃষি উদ্যান শস্যৰ মূল্য সংযোজন, বজাৰ সংযোগ, সংহত পৰিকল্পনা আৰু বহনক্ষম উন্নয়ন সন্দৰ্ভতো আলোকপাত কৰা হ'ব। উত্তৰ-পূবৰ ৮ খন ৰাজ্যক দেশৰ উল্লেখনীয় কৃষি কেন্দ্ৰলৈ পৰিৱৰ্তিত কৰাই এই বৈঠকৰ মূল উদ্দেশ্য।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উত্তৰ-পূব অৰ্থনৈতিক কৰিডৰৰ উচ্চ পৰ্যায়ৰ কৰ্মবাহিনীৰ দ্বিতীয়খন বৈঠকতো অংশগ্ৰহণ কৰিব। তেওঁ কয়, যে এই এই বৈঠকত পথ, ৰে'লপথ, জলপথ, শক্তি আৰু ডিজিটেল আন্তঃগাঁথনিৰ জৰিয়তে বহুমুখী সংযোগ স্থাপন আৰু ইয়াৰ দ্বাৰা বাণিজ্যিক কৰিডৰ, সীমান্ত আন্তঃগাঁথনি আৰু আছিয়ান গেটৱেক শক্তিশালী কৰা সন্দৰ্ভত গুৰুত্ব দিয়া হ'ব। তেওঁ কয়, যে এই কৰিডৰে অঞ্চলটোৰ বিকাশ, কৃষি, উদ্যোগ, সামগ্ৰী পৰিবহণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। ইয়াৰ উপৰি মন্ত্ৰী শ্ৰীসিন্দিয়াই পৰ্যটন সন্দৰ্ভত কৰ্মবাহিনীৰ এখন উচ্চ পৰ্যায়ৰ বৈঠকতো অংশ ল'ব। উত্তৰ-পূব অঞ্চলৰ পৰ্যটনৰ বিকাশৰ ক্ষেত্ৰত বৈঠকত বিশেষভাৱে আলোকপাত কৰা হ'ব।

০০০০০

দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনী তালিকাৰ বিশেষ বিস্তৃত পুনৰীক্ষণ প্ৰক্ৰিয়া অনুষ্ঠিত হ'ব আৰু অহা বছৰৰ ৭ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ পাব। মুখ্য নিৰ্বাচনী বিষয়া জ্ঞানেশ কুমাৰে কালি নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কয়, যে এই প্ৰক্ৰিয়াই উত্তৰ প্ৰদেশ, গুজৰাট, মধ্যপ্ৰদেশ, চত্তিশগড়, ৰাজস্থান, তামিলনাডু, পশ্চিমবংগ, গোৱা, কেৰালা, পুডুচেৰী, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ তথা লাক্ষাদ্বীপক সামৰি ল'ব। তেওঁ কয়, যে দ্বিতীয় পৰ্যায়ৰ এই নিৰ্বাচনী তালিকাই ৫১ কোটি ভোটাৰক অন্তৰ্ভুক্ত কৰিব। শ্ৰীকুমাৰে কয়, যে আজিৰে পৰা অহা ৩ নৱেম্বৰলৈ ভোটাৰ গণনা প্ৰপত্ৰ ছপা কৰাৰ লগতে বুথ পৰ্যায়ৰ প্ৰশিক্ষণ অনুষ্ঠিত হ'ব। অহা ৪ ডিচেম্বৰলৈ এই গণনা প্ৰক্ৰিয়া চলি থাকিব আৰু খচৰা ভোটাৰ তালিকা ৯ ডিচেম্বৰত প্ৰকাশ পাব। ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলত বুথ পৰ্যায়ৰ বিষয়াসকলে ভোটাদাতাসকলক এই গণনা প্ৰপত্ৰ বিতৰণ কৰিব। এই প্ৰপত্ৰসমূহত ভোটদাতাৰ শেহতীয়া তথ্য সন্নিবিষ্ট থাকিব। ২০০৩ চনৰ ভোটাৰ তালিকাত নাম থকা ভোটদাতাসকলে কোনোধৰণৰ নতুন তথ্য পুনৰ দাখিল কৰাৰ প্ৰয়োজন নাই।

ooooo

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে চলিত খাৰিফ বৰ্ষত তেলেংগানা, ওড়িশা, মহাৰাষ্ট্ৰ আৰু মধ্য প্ৰদেশত ১৫ হাজাৰ কোটি টকাৰ ক্ৰয় পৰিকল্পনাত অনুমোদন জনাইছে। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে প্ৰকাশ কৰা এখন বিজ্ঞপ্তি অনুসৰি প্ৰধানমন্ত্ৰী অন্নদাতা আয় সংৰক্ষণ অভিযানৰ অধীনত আৰু মন্ত্ৰালয়ৰ অন্যান্য আঁচনি সন্দৰ্ভত অনুষ্ঠিত এখন উচ্চস্তৰীয় বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। কৃষি মন্ত্ৰীগৰাকীয়ে কয়, যে কৃষকসকলৰ তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ বাবে অধিক উন্নত আয়ৰ লগতে তেওঁলোকৰ উপাৰ্জন সুৰক্ষিত কৰাৰ উদ্দেশ্যে এই আৱণ্টন দিয়া হয়।

ooooo

ধাৰাষাৰ বৰষুণৰ পৰিপ্ৰেক্ষিতত কালি চেন্নাইৰ এছ ডি এ টি ষ্টেডিয়ামত হ'বলগীয়া চেন্নাই অপেন টেনিছ প্ৰতিযোগিতাৰ খেলসমূহ বাতিল কৰা হয়। প্ৰতিকুল বতৰৰ বাবে প্ৰতিযোগিতাৰ ৭ খন ছিংগলছ আৰু ডাবলছৰ দুখন খেল বাতিল কৰা হৈছে। বতৰ অনুকুল হ'লে বাতিল হোৱা খেলসমূহ আজি দিনৰ ১২ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত